**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 01-02-2025
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***
***--------------------***

১। কেন্দ্ৰীয় বিত্ত মন্ত্ৰী নিৰ্মলা সীতাৰমণৰ আজি লোকসভাত ২০২৫-২৬ বিত্তীয় বৰ্ষৰ সাধাৰণ বাজেট উত্থাপন।

২। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ অধ্যক্ষতাত লোকসেৱা ভৱনত অনুষ্ঠিত মন্ত্ৰীসভাৰ বৈঠকত বিভিন্ন গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ।

৩। অসম সাহিত্য সভাৰ সপ্তসপ্ততিতম দ্বি-বাৰ্ষিক অধিৱেশনৰ আজি দ্বিতীয় দিনা সাহিত্য সভাৰ মূল পতাকা উত্তোলন।

৪। মিছন বসুন্ধৰাৰ তৃতীয় পৰ্যায়ৰ আবেদন গ্ৰহণৰ সময়সীমা পুনৰ অহা ১৫ ফেব্ৰুৱাৰীলৈ বৃদ্ধি। ***আৰু***

৫। ৩৮ সংখ্যক ৰাষ্ট্ৰীয় ক্ৰীড়া সমাৰোহৰ মহিলাৰ বক্সিঙত আজি লাভলীনা বৰগোঁহাইৰ প্ৰথমখন খেল।

০০০০০০

কেন্দ্ৰীয় বিত্ত মন্ত্ৰী নিৰ্মলা সীতাৰমণে আজি লোকসভাত ২০২৫-২৬ বিত্তীয় বৰ্ষৰ সাধাৰণ বাজেট উত্থাপন কৰিব। নৰেন্দ্ৰ মোদী চৰকাৰে গ্ৰহণ কৰা সিদ্ধান্ত অনুসৰি যোৱা বছৰ সমূহৰ দৰে এইবাৰো পৃথকে কোনো ৰে'ল বাজেট উত্থাপন কৰা নহয়। মূল কেন্দ্ৰীয় বাজেটতে বিত্তমন্ত্ৰী সীতাৰমণে ৰে'ল বিভাগৰ বাবে পৰৱৰ্তী বিত্তীয় বছৰৰ আয়-ব্যয়ৰ খতিয়ান আৰু আঁচনি দাঙি ধৰিব। বিত্ত মন্ত্ৰীয়ে আজি বাজেট দাখিল কৰি সদনত দিয়া ভাষণ আকাশবাণীয়ে পোনপটীয়াকৈ প্ৰচাৰ কৰিব। আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ মহাবাহু শাখাত দিনৰ ১০ বাজি ১০ মিনিটৰ পৰা এই বাজেট ভাষণ প্ৰচাৰিত হ'ব। বিত্তমন্ত্ৰীৰ বাজেট ভাষণৰ পাছতে আমাৰ দিনৰ এক বাজি ৪০ মিনিটত প্ৰচাৰিত হ'বলগীয়া বাতৰি প্ৰচাৰিত হ'ব। এই পোনপটীয়া অনুষ্ঠানৰ বাবে আমাৰ আজি দুপৰীয়া ১২ বাজি ৫ মিনিটৰ বাতৰি প্ৰচাৰিত নহয়।

কেন্দ্ৰীয় বিত্ত মন্ত্ৰী নিৰ্মলা সীতাৰমণে কালি সংসদৰ উভয় সদনত প্ৰাক বাজেট অৰ্থনৈতিক সমীক্ষা দাখিল কৰে। এই সমীক্ষাত ২০২৫-২৬ বিত্তীয় বৰ্ষত দেশৰ মুঠ ঘৰুৱা উৎপাদন ৬ দশমিক ৪ শতাংশ হ'ব বুলি অনুমান কৰা হৈছে। তদুপৰি দেশৰ বিত্তীয় শৃংখলাও ক্ৰমাগতভাৱে বৃদ্ধি পোৱা বুলি কোৱা হৈছে। ২০১৭-১৮ চনৰ তুলনাত ১৫ বছৰ উৰ্ধ্বৰ নিবনুৱাৰ হাৰ ৬ শতাংশৰ পৰা ৩ দশমিক ২ শতাংশলৈ হ্ৰাস পাইছে বুলি অৰ্থনৈতিক সমীক্ষাত কোৱা হৈছে।

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগৰ দৃষ্টিপাত অনুষ্ঠানত আজি নিশা ৮ বাজি ২ মিনিটত ২০২৫-২৬ বিত্তীয় বৰ্ষৰ কেন্দ্ৰীয় বাজেট সন্দৰ্ভত এটি আলোচনা প্ৰচাৰ কৰা হ'ব। আলোচনাত গোলাঘাটৰ হেমপ্ৰভা বৰবৰা ছোৱালী মহাবিদ্যালয় অৰ্থনীতি বিভাগৰ সহকাৰী অধ্যাপক ড০ বিপুল কুমাৰ ৰাভা, ষ্টাৰ্ট আপ উদ্যামী প্ৰণৱ তালুকদাৰ আৰু নবীন উদ্যোগী ভাস্কৰজ্যোতি হালৈয়ে অংশগ্ৰহণ কৰিব। কেন্দ্ৰীয় বাজেট সম্পৰ্কীয় এই আলোচনাৰ আঁত ধৰিব আকাশবাণীৰ বাতৰি বিভাগৰ মুৰববী ৰাজীৱ লোচন বৰঠাকুৰে। এই অনুষ্ঠান আকাশবাণী ডিব্ৰুগড় কেন্দ্ৰই আজি নিশা চাৰে ৯ বজাত প্ৰচাৰ কৰিব।

০০০০০০

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ অধ্যক্ষতাত লোকসেৱা ভৱনত কালি অনুষ্ঠিত মন্ত্ৰীসভাৰ বৈঠকত বিভিন্ন গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰা হয়। সেই অনুসৰি ঔদ্যোগীক আৰু বিনিয়োগ অনুকূল ৰাজ্য হিচাপে অসমৰ সৰ্বাংগীন বিকাশ নিশ্চিত কৰাৰ বাবে অসম ষ্টাৰ্টআপ আৰু উদ্ভাৱন নীতি ২০২৫, অসম মহাকাশ আৰু প্ৰতিৰক্ষামূলক সামগ্ৰী উৎপাদন নীতি ২০২৫ আৰু বায়' ই থ্ৰী নীতিৰ কাৰ্যকৰী আঁচনিত অনুমোদন জনোৱা হয়। ৰাজ্যত ষ্টাৰ্ট আপৰ বিকাশত পুঁজি আৰু পৰামৰ্শমূলক সমৰ্থনৰ বাবে এটা বিশেষ প্ৰশাসনীক বিভাগ সৃষ্টিত অনুমোদন জনোৱা হয়। মন্ত্ৰীসভাত ১৯ খন জিলাৰ চাহ বাগিচা অঞ্চলৰ ২১৯ টা গ্ৰাম্য পথ উন্নত কৰাৰ বাবে ২৩৪ কোটি টকাত অনুমোদন জনোৱা হয়। তদুপৰি ক্ষুদ্ৰ উদ্যোগীসকলক উৎসাহ যোগাবলৈ নগৰাঞ্চলৰ যোগ্য আত্মসহায়ক গোটৰ সদস্যাসকলক সমৰ্থন আগবঢ়াবৰ বাবে মুখ্যমন্ত্ৰী নগৰীয়া মহিলা উদ্যমিতা অভিযানত মন্ত্ৰীসভাই অনুমোদন জনায়। এই আঁচনিখনে নগৰাঞ্চলৰ আত্মসহায়ক গোটৰ সদস্যাসকলক ১০ হাজাৰ টকাৰ প্ৰাৰম্ভিক পুঁজি প্ৰদান কৰিব। বৈঠকত মিছন বসুন্ধৰাৰ তৃতীয় পৰ্যায়ৰ অধীনত অবেদনৰ সময়সীমা ১৫ ফেব্ৰুৱাৰীলৈ বৃদ্ধি কৰাতো অনুমোদন জনোৱা হয়। এই বৈঠকতে আপোন ঘৰ আঁচনিৰ অধীনত হিতাধিকাৰীলৈ বৰ্ধিত ঋণৰ সুবিধা প্ৰদানৰ ক্ষেত্ৰতো সিদ্ধান্ত লোৱা হয়। ——— **(বাইট ঃ মুখ্যমন্ত্ৰী)**

০০০০০০

বজালী জিলাৰ পাঠশালাৰ ভট্টদেৱ ক্ষেত্ৰত অনুষ্ঠিত অসম সাহিত্য সভাৰ সপ্তসপ্ততিতম দ্বি-বাৰ্ষিক অধিৱেশনৰ আজি দ্বিতীয় দিনা অসম সাহিত্য সভাৰ সভাপতি ড০ সূৰ্যকান্ত হাজৰিকাই মূল পতাকা উত্তোলন কৰাৰ লগতে আন বিশিষ্ট ব্যক্তিসকলে পতাকা বেদীৰ প্ৰথম চক্ৰত ৭৭ খন আৰু দ্বিতীয় চক্ৰত ১০৮ খন পতাকা উত্তোলন কৰে। সাহিত্য সভাৰ আজিৰ কাৰ্যসূচী সন্দৰ্ভত বিশদভাৱে জনাইছে বাক্সাৰ পৰা আমাৰ সংবাদদাতা দামোদৰ তালুকদাৰে—-

**ভইচ (দামোদৰ তালুকদাৰ)**

উল্লেখযোগ্য যে সাহিত্য সভাৰ ইতিহাসত এইবেলি প্ৰথমবাৰৰ বাবে বিজ্ঞান মেলাৰ সংযোজন কৰা হৈছে। **কৰ্ণেল গুৰুপ্ৰসাদ দাস বিজ্ঞান মেলা** হিচাপে নামকৰণ কৰা এই মেলা মন্ত্ৰী কেশৱ মহন্তই উদ্বোধন কৰে। এই অনুষ্ঠানৰ সৈতে সংগতি ৰাখি আয়োজিত সভাত অসম লোকসেৱা আয়োগৰ প্ৰাক্তন অধ্যক্ষ ভাৰতভূষণ দেৱচৌধুৰীয়ে মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰি কৰ্ণেল গুৰুপ্ৰসাদ দাসক অসমৰ প্ৰথমগৰাকী মেকানিকেল ইঞ্জিনিয়াৰ বুলি অভিহিত কৰে। তেওঁৰ প্ৰতিভা দেখি ইংৰাজ চৰকাৰে তত্বাৱধান লৈ ইংলেণ্ডলৈ অভিযান্ত্ৰিক পাঠ্যক্ৰম অধ্যয়নৰ বাবে পঠিয়াই দিয়াৰ পাছত এইগৰাকী ব্যক্তিয়ে ব্ৰিটিছ নৌসেনা বাহিনীৰ ছাবমেৰিন চলাই পাৰদৰ্শিতা দেখুৱাইছিল বুলি বক্তাগৰাকীয়ে উল্লেখ কৰে। তেওঁ লগতে কয়, যে ৰে'ল ইঞ্জিনৰ ভেকুৱাম ব্ৰেক আৱিষ্কাৰ কৰি সমগ্ৰ বিশ্বতে চমক সৃষ্টি কৰাৰ লগতে ৰে'লৰ কাৰিকৰী বিভাগৰ কেইবাবিধো নতুন সামগ্ৰী আৱিষ্কাৰ কৰা অসমৰ এই বিজ্ঞানীগৰাকী পাছলৈ কলকাতাৰ মেয়ৰ পদতো অধিষ্ঠিত হৈছিল।

সাহিত্য সভাৰ বাকৰিত কালি কৈলাশ মল্লবৰুৱা সোঁৱৰণী গ্ৰন্থমেলাৰ দ্বাৰ উন্মোচন কৰে বিশিষ্ট সাহিত্যিক তথা তেজপুৰ বিশ্ববিদ্যালয়ৰ প্ৰাক্তন সম-উপাচাৰ্য ড০ অমৰ জ্যোতি চৌধুৰীয়ে।

আমাৰ সংবাদদাতাই জনোৱা মতে সাহিত্য সভাৰ অধিৱেশনৰ কাইলৈ তৃতীয় দিনা হ'বলগীয়া সাংস্কৃতিক শোভাযাত্ৰাত বৰ অসমৰ আৰ্হিৰ প্ৰতিফলন ঘটোৱা হ'ব। দুখন বাহনত প্ৰতীকী ৰূপত বজালীৰ ঐতিহাসিক ডুবি দেৱালয়, ভোগেশ্বৰী মন্দিৰ আৰু এছিয়াৰ দ্বিতীয় সৰ্ববৃহৎ জালিখাটাৰ বটগছৰ লগতে অসমৰ ভিন্ন কলা-সংস্কৃতি আটকধুনীয়া ৰূপত তুলি ধৰা হ'ব বুলি উদ্যোক্তাসকলৰ উদ্ধৃতিৰে তেওঁ জানিবলৈ দিয়ে।

০০০০০০

মিছন বসুন্ধৰাৰ তৃতীয় পৰ্যায়ৰ আবেদন গ্ৰহণৰ সময়সীমা  অহা ১৫ ফেব্ৰুৱাৰীলৈ বৃদ্ধি কৰা হৈছে। এই পৰ্যায়ত অনুষ্ঠান-প্ৰতিষ্ঠানৰ বাবে ডিজিটেল প্ৰক্ৰিয়াৰে বন্দবস্তি, মিছন বসুন্ধৰাৰ দ্বিতীয় পৰ্যায়ত স্থগিত ৰখা আবেদনৰ পুনৰ পৰীক্ষা, পূৰ্বৰ গ্ৰাম্য কিন্তু পৰৱৰ্তীকালত নগৰাঞ্চল হিচাপে ঘোষিত এলেকাত দখলিস্বত্ব থকা ৰায়তক মালিকিস্বত্ব প্ৰদান, স্বমিত্ব আঁচনিৰ অধীনত জৰিপ নোহোৱা গাঁৱৰ ভূমি বন্দবস্তি আদি কাৰ্যসমূহ সম্পন্ন কৰা হ'ব। ইয়াৰ বাবে জনসাধাৰণে sewasetu.assam.gov.in প'ৰ্টেলৰ জৰিয়তে ল'গ ইন কৰি আধাৰ আৰু পেন কাৰ্ডৰ ই-কে ৱাই চি সম্পূৰ্ণ কৰি আবেদন কৰিব পাৰিব। জনসাধাৰণে লগতে নিকতৱৰ্তী ৰাজহুৱা সুবিধা কেন্দ্ৰলৈ গৈও আবেদন কৰিব পাৰিব।

০০০০০০

গুৱাহাটীত হ'বলগীয়া এডভাণ্টেজ আছামৰ দ্বিতীয় সংস্কৰণৰ সৈতে সংগতি ৰাখি ৰাজ্য চৰকাৰে অহা ২৪ ফেব্ৰুৱাৰীত ঝুমুৰ নৃত্যৰ সৰ্ববৃহৎ অনুষ্ঠানৰ আয়োজন কৰিছে। ইয়াৰ বাবে যোৱা ২৮ জানুৱাৰীৰ পৰা বিধানসভা সমষ্টি ভিত্তিত চলা ঝুমুৰ নৃত্যৰ প্ৰশিক্ষণৰ কালি সামৰণি পৰে। এই উপলক্ষে কালি গোলাঘাট জিলাৰ বোকাখাট বিধানসভা সমষ্টিত আয়োজিত প্ৰশিক্ষণৰ সামৰণি অনুষ্ঠানত জ্যেষ্ঠ মন্ত্ৰী বিমল বৰা উপস্থিত থাকে। উল্লেখযোগ্য যে অসমৰ সমাজ, অৰ্থনীতি আৰু সংস্কৃতিলৈ চাহ জনগোষ্ঠীয় লোকসকলে আগবঢ়োৱা অৱদানৰ প্ৰতি সন্মান জনাই সাত হাজাৰ ৫০০ৰো অধিক শিল্পীক লৈ ঝুমুৰ নৃত্য পৰিৱেশনৰ দিহা কৰা হৈছে।

০০০০০০

ৰাজ্য চৰকাৰৰ খাদ্য, ৰাজহুৱা বিতৰণ আৰু গ্ৰাহক পৰিক্ৰমা বিভাগে আজিৰে পৰা ১০ ফেব্ৰুৱাৰীলৈ অন্ন সেৱা দিনৰ কাৰ্যসূচী হাতত লৈছে। খাদ্য সুৰক্ষা সুনিশ্চিতকৰণৰ লক্ষ্যৰে এই বিশেষ দিনকেইটাত প্ৰধানমন্ত্ৰী গৰীব কল্যাণ অন্ন যোজনাৰ হিতাধিকাৰীৰ বাবে অন্ত্যোদয়া অন্ন যোজনাৰ অধীনত প্ৰতিমাহে প্ৰতিটো পৰিয়াললৈ ৩৫ কিলোগ্ৰাম বিনামূলীয়া চাউল প্ৰদানৰ ব্যৱস্থা কৰিছে। ইয়াৰ উপৰি অগ্ৰাধিকাৰ প্ৰাপ্ত পৰিয়ালৰ প্ৰতিগৰাকী হিতাধিকাৰীলৈ ৫ কিলোগ্ৰাম চাউল প্ৰদান কৰা হ'ব।

০০০০০০

পাঠশালাৰ ভট্টদেৱ ক্ষেত্ৰত কালি অসম সাহিত্য সভাৰ সপ্তসপ্ততিতম দ্বি-বাৰ্ষিক অধিৱেশন আৰম্ভ হোৱাৰ বাতৰিটো আজি গুৱাহাটীৰ পৰা প্ৰকাশিত আটাইকেইখন কাকতেই প্ৰথম পৃষ্ঠাত গুৰুত্বসহকাৰে প্ৰকাশ কৰিছে।

অসমীয়া প্ৰতিদিন কাকতত **নামঘৰৰ দ্বাৰ মুকলিৰে আৰম্ভ সাহিত্য সভাৰ পাঠশালা অধিৱেশন**, দৈনিক অসমত **সাহিত্যৰ সুবাসেৰে উজ্জীৱিত পাঠশালা** আৰু নিয়মীয়া বাৰ্তা কাকতত **ভট্টদেৱ ক্ষেত্ৰত হাজাৰ হাজাৰ সাহিত্যানুৰাগী** শিৰোনামেৰে এই বাতৰি প্ৰকাশ পাইছে। দৈনিক জনমভূমি কাকতখনে অসম সাহিত্য সভাৰ অধিৱেশনৰ প্ৰদৰ্শনী উপ-সমিতিয়ে প্ৰস্তুত কৰি উলিওৱা ৮৭ ফুট পৰিসৰৰ এটা বৃহৎ জাপিয়ে ইণ্ডিয়া বুক অৱ ৰেকৰ্ডছত স্থান লাভ কৰা বিষয়টোৰে বাতৰি পৰিৱেশন কৰিছে। আমাৰ অসম কাকতত **সাহিত্যৰ জয়গানেৰে মুখৰ ভট্টদেৱ ক্ষেত্ৰ** শিৰোনামেৰে আজিৰ প্ৰধান বাতৰি প্ৰকাশ পাইছে।

সংসদৰ বাজেট অধিৱেশনৰ কালি প্ৰথম দিনটোত ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে দিয়া ভাষণৰ সন্দৰ্ভত কংগ্ৰেছ নেত্ৰী ছোনিয়া গান্ধীয়ে প্ৰকাশ কৰা মন্তব্য আৰু বিভিন্ন মহলত ইয়াৰ প্ৰতিক্ৰিয়াৰ বিষয়টোৱে অসমীয়া খবৰ কাকতত প্ৰধান বাতৰিৰ স্থান পাইছে।  দি আছাম ট্ৰিবিউন কাকততো এই বাতৰিটো আজিৰ প্ৰধান

বাতৰি হিচাৱে পৰিৱেশন কৰা হৈছে। একেদৰে দা ছেণ্টিনেল কাকততো এই বাতৰিটোৱে গুৰুত্ব লাভ কৰিছে।

দৈনিক অগ্ৰদূত কাকতৰ আজিৰ প্ৰধান বাতৰিৰ শিৰোনাম **অসহনীয় মূল্যবৃদ্ধিৰ কথা স্বীকাৰ কেন্দ্ৰৰ**।

আজিৰ গুৱাহাটীৰ পৰা প্ৰকাশিত কাকতসমূহত সংসদত অৰ্থনৈতিক সমীক্ষা দাখিল কৰি দেশৰ আৰ্থিক বিকাশ মন্থৰ হ'ব বুলি বিত্ত মন্ত্ৰী নিৰ্মলা সীতাৰমণে দিয়া ইংগিত, তৃতীয় পৰ্যায়ৰ মিছন বসুন্ধৰাৰ আবেদনৰ অন্তিম দিন ১৫ ফেব্ৰুৱাৰীলৈ বৃদ্ধি, ৰাজ্য চৰকাৰৰ কৰ্মচাৰীলৈ আপোন ঘৰ ইন'ভেটিভ ষ্টাৰ্টআপৰ নতুন বিভাগ, ৰাজ্যজুৰি মে-ডাম-মে-ফি উদযাপন, ৰাজ্যৰ ১৯ সমজিলাত সমজিলা আৰক্ষী গঠন কৰাৰ বাবে মন্ত্ৰীসভাৰ সিদ্ধান্ত, জ্যেষ্ঠ নাগৰিক স্বাস্থ্য বীমাৰ প্ৰিমিয়াম বৃদ্ধি আদি বিভিন্ন বিষয়ে স্থান লাভ কৰিছে।

এতিয়া আমি পুনৰ বাতৰিৰ মাজলৈ ঘূৰি যাও।

০০০০০০

উত্তৰাখণ্ডৰ ডেৰাডুনত চলি থকা ৩৮ সংখ্যক ৰাষ্ট্ৰীয় ক্ৰীড়া সমাৰোহত আজি অসমৰ কেইবাগৰাকীও খেলুৱৈয়ে অংশগ্ৰহণ কৰিব। মহিলাৰ ৭৫ কিলোগ্ৰাম শাখাত বক্সিঙত লাভলীনা বৰগোহাঁই, পুৰুষৰ ৭১ কিলোগ্ৰাম শাখাত অভিনৱ শইকীয়া, ল'ন বলৰ মহিলাৰ ছিংগলছত নয়নমণি শইকীয়া, ৪ গৰাকী খেলুৱৈৰ প্ৰতিযোগিতাত জিনা বৰুৱা, তৃষ্ণা গগৈ, পম্পী বৰুৱা আৰু কৰিনা পাটোৱাৰীয়ে অংশগ্ৰহণ কৰাৰ লগতে ২৫ বছৰ অনূৰ্ধ ল'ৰাৰ প্ৰতিযোগিতাত বিটু দাস আৰু ছোৱালীৰ প্ৰতিযোগিতা সুৰঞ্জনা বৰুৱা অৱতীৰ্ণ হ'ব। অসমৰ আন কেইগৰাকীমান খেলুৱৈয়েও আজি এই ক্ৰীড়া সমাৰোহত ভাগ ল'ব।

প্ৰতিযোগিতাত কালি ভাৰোত্তোলনৰ ৬৪ কিলোগ্ৰাম শাখাত ৰূপৰ পদক অৰ্জন কৰি অসমলৈ গৌৰৱ কঢ়িয়াই অনা ধেমাজিৰ দিতিমণি সোণোৱালক শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে অভিনন্দন জনাইছে। আমাৰ আগৰ বাতৰিতে কোৱা হৈছে যে এই ক্ৰীড়া সমাৰোহত অসমৰ খেলুৱৈসকলে ইতিমধ্যে কেইবাটাও পদক অৰ্জন কৰিবলৈ সমৰ্থ হৈছে। কালি ভাৰোত্তোলনত ৬৭ কিলোগ্ৰাম শাখাত সিদ্ধান্ত গগৈয়ে ব্ৰঞ্জৰ পদক লাভ কৰিছে। মহিলাৰ সাঁতোৰত ৮০০ মিটাৰ ফ্ৰী ষ্টাইল শাখাত শুব্ৰনশিনি প্ৰিয়দৰ্শিনীয়ে ৰূপৰ পদক লাভ কৰিছে। ছানমা ব্ৰহ্মই উশ্বুৰ পুৰুষৰ টাইজিকোৱন শাখাত ৰূপৰ পদক লাভ কৰে। একেদৰে মহিলাৰ ৪৫ কিলোগ্ৰাম শাখাত প্ৰিয়া বড়ো, ৭৫ কিলোগ্ৰাম শাখাত খুদ্ৰা পাং য়িং আৰু ৫৬ কিলোগ্ৰাম শাখাত ইলিনা ৰাভাই ছেমি ফাইনেলত প্ৰৱেশ কৰি তিনিটা পদক নিশ্চিত কৰিছে। ভাৰোত্তোলনত মহিলাৰ ৫৫ কিলোগ্ৰাম শাখাত মণিপুৰৰ বিন্দিয়াৰাণী দেৱীয়ে নতুন ৰাষ্ট্ৰীয় অভিলেখ গঢ়িবলৈ সমৰ্থ হৈছে। বিন্দিয়াৰাণীয়ে মীৰাবাঈ ছানুৰ পূৰ্বৰ ৮৬ কিলোগ্ৰামৰ অভিলেখ ভংগ কৰি ৮৮ কিলোগ্ৰাম ভাৰোত্তোলন কৰে।

০০০০০০

পুণেত অনুষ্ঠিত ভাৰত আৰু ইংলেণ্ডৰ মাজৰ পাঁচখনীয়া টি-টুৱেণ্টি ক্ৰিকেট শৃংখলাৰ চতুৰ্থখন খেলত কালি ভাৰতে ইংলেণ্ডক ১৫ ৰাণত পৰাস্ত কৰে। ইংলেণ্ডে ১৮২ ৰাণৰ বিজয় লক্ষ্যৰে খেল আৰম্ভ কৰি ১৬৬ ৰাণতে আটাইকেইটা উইকেট হেৰুৱায়। ভাৰতৰ হৈ ৰবি বিষ্ণৈ আৰু হৰ্ষিত ৰাণাই তিনিটাকৈ উইকেট দখল কৰাৰ লগে বৰুণ চক্ৰৱৰ্তীয়ে দুটা উইকেট দখল কৰে। ইয়াৰ পূৰ্বে ভাৰতে প্ৰথমে বেট ধৰি নিৰ্ধাৰিত ২০ অভাৰত ৯ উইকেটৰ বিনিময়ত ১৮১ ৰাণ সংগ্ৰহ কৰে। ভাৰত সম্প্ৰতি শৃংখলাত ৩-১ ব্যৱধানত আগবাঢ়ি আছে। শৃংখলাটোৰ পঞ্চম তথা অন্তিমখন খেল কাইলৈ মুম্বাইৰ ৱাংখেড়ে ষ্টেডিয়ামত অনুষ্ঠিত হ'ব।

০০০০০০

বতৰৰ বতৰা–

বৰঝাৰৰ আঞ্চলিক বতৰবিজ্ঞান বিভাগৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত পুৱাৰ ভাগত কুঁৱলী পৰাৰ লগতে বতৰ আংশিকভাৱে ডাৱৰীয়া হৈ থাকিব। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ২৫ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন তাপমাত্ৰা ১৩ ডিগ্ৰী ছেলছিয়াছৰ আশে-পাশে থাকিব বুলিআঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে। কালি গুৱাহাটীৰ সৰ্বোচ্চ তাপমাত্ৰা আছিল ২৫ দশমিক ৩ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন তাপমাত্ৰা আছিল ১২ দশমিক ৭ ডিগ্ৰী ছেলছিয়াছ।

বতৰ বিজ্ঞান বিভাগে অহা ২৪ ঘণ্টাত অৰুণাচল প্ৰদেশত পাতলীয়া বৰষুণ হোৱাৰ লগতে অসম, মেঘালয়, নাগালেণ্ড, মিজোৰাম, ত্ৰিপুৰা আৰু মণিপুৰত ঠাই বিশেষে ঘন কুঁৱলী পৰিব পাৰে বুলি আগলি বতৰা দিছে।

oooooo

সমাপ্ত